**2016**

# ASSAMESE

( Major )

Paper : 4.2

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) ‘কিৰাত জনকৃতি’ নামৰ গ্ৰন্থখনৰ লেখক কোন?

(খ) সংস্কৃতিক ‘সাংস্কৃতিক উত্তৰাধিকাৰ’ বুলি কোনগৰাকী পণ্ডিতে কৈছে?

(গ) ‘নৰ্দিক’ শব্দটোৱে কোনটো জনগোষ্ঠীক সূচায়?

(ঘ) ড. নবীনচন্দ্ৰ শৰ্মাই ৰচনা কৰা লোকসংস্কৃতি বিষয়ক গ্ৰন্থ এখনৰ নাম লিখা।

(ঙ) ‘অইনিঃতম’ কোন জনগোষ্ঠীয়ে পালন কৰা উৎসৱ?

(চ) অসমত বসবাস কৰা মাতৃসূত্ৰীয় জনগোষ্ঠী এটাৰ নাম লিখা।

(ছ) মঙ্গোলীয় নৃগোষ্ঠীৰ অন্তৰ্গত এটা ফৈদৰ নাম লিখা।

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) প্ৰাচীন অসম সম্পৰ্কে জানিব পৰা দুখন প্ৰামাণ্য গ্ৰন্থৰ নাম লিখা।

(খ) সংস্কৃতিৰ দুটা বৈশিষ্ট্য লিখা।

(গ) 'সংস্কৃতিৰ সমাহৰণ' বুলিলে কি বুজা, লিখা।

(ঘ) অসমীয়া সমাজত প্ৰচলিত জন্তু-সম্পৰ্কীয় দুটা লোকবিশ্বাসৰ নাম উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সমাজ আৰু সংস্কৃতি

(খ) কৈৱাতজ ধৰ্ম

(গ) শাস্ত্ৰীয় সংস্কৃতি *অথবা* জনজাতীয় সংস্কৃতি

(ঘ) অসমীয়া মহিলাৰ সাজপাৰ

(ঙ) অনাকটা কাপোৰ

(চ) দৰঙৰ দেউল

(ছ) জাপি

৪। (ক) অসমীয়া জাতিগঠন প্ৰক্ৰিয়া সম্পৰ্কে চমুকৈ আলোচনা কৰা। ১০

*অথবা*

(খ) অসমীয়া জাতি আৰু সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ১০





৫। (ক) অসমৰ লোকসংস্কৃতিৰ ভাগবোৰ কি কি? প্ৰতিটো ভাগ সম্পৰ্কে চমুকৈ আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) বিশ্বায়নৰ প্ৰভাৱত অসমৰ লোকসংস্কৃতিত কেনেধৰণৰ পৰিৱৰ্তন অনুভূত হৈছে, আলোচনা কৰা। ১০

৬। (ক) অসমীয়া সমাজত প্ৰচলিত বিবাহৰ লগত জড়িত লোকাচাৰসমূহ উল্লেখ কৰি এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

(খ) অসমৰ জনগোষ্ঠীসমূহে পালন কৰা কৃষিভিত্তিক লোক-উৎসৱসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

৭। (ক) পুৰণি অসমৰ শৈৱ ধৰ্মৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

(খ) পুৰণি অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলন কেতিয়াৰ পৰা হৈছিল? যুক্তিসহ আলোচনা কৰা। ১০

★★★